# পানী

## পাঠ: ১৪

## পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন : – ১) তলৰ খালী ঠাইবোৰ পূৰ কৰা :

ক) পানী বাষ্প অৱস্থালৈ পৰিৱৰ্তন ঘটা প্ৰক্ৰিয়াটোক — বোলা হয় ।

**উত্তৰঃ –** পানী বাষ্প অৱস্থালৈ পৰিৱৰ্তন ঘটা প্ৰক্ৰিয়াটোক বাষ্পীভৱন বোলা হয় ।

খ) বাষ্প অৱস্থাৰ পৰা পানী জুলীয়া অৱস্থালৈ অহা প্ৰক্ৰিয়াটোক — বোলা হয় ।

**উত্তৰঃ –** বাষ্প অৱস্থাৰ পৰা পানী জুলীয়া অৱস্থালৈ অহা প্ৰক্ৰিয়াটোক ঘনীভূতকৰণ বোলা হয় ।

গ) কোনো অঞ্চলত এবছৰ বা তাতকৈ বেছি সময় বৰষুণ নহলে অঞ্চলটোত — ৰ সৃষ্টি কৰিব ।

**উত্তৰঃ –** কোনো অঞ্চলত এবছৰ বা তাতকৈ বেছি সময় বৰষুণ নহলে অঞ্চলটোত খৰাং ৰ সৃষ্টি কৰিব ।

ঘ) অধিক বৰষুণে — ৰ সৃষ্টি কৰিব ।

**উত্তৰঃ –** অধিক বৰষুণে বান ৰ সৃষ্টি কৰিব ।

প্ৰশ্ন : – ২) তলত দিয়াবোৰৰ বাষ্পীভৱন নে ঘনীভৱনৰ কাৰণে হয় ।

ক) ঠাণ্ডা পানী থকা গিলাচৰ বাহিৰৰ পিঠিত পানীৰ টোপোলা জমা হয় ।

**উত্তৰঃ –** ঘনীভৱন ।

খ) তিতা কাপোৰ ইস্ত্ৰি কৰোতে ওলোৱা ভাপ ।

**উত্তৰঃ –** বাষ্পীভৱন ।

গ) শীতকালিৰ পোৱা ওলোৱা কুঁৱলী ।

**উত্তৰঃ –** ঘনীভৱন ।

ঘ) মচাৰ পাছত ব্লেক বৰ্ড শুকাই যায় ।

**উত্তৰঃ –** বাষ্পীভৱন ।

ঙ) পানী ছটিয়ালে গৰম টাৱাৰৰ পৰা ওলোৱা ভাপ ।

**উত্তৰঃ –** বাষ্পীভৱন ।

প্ৰশ্ন : – ৩) তলৰ কোনটো উক্তি শুদ্ধ / অশুদ্ধ ?

ক) মৌচুমী বতাহৰ সময়তে বায়ুত জলীয় ভাপ থাকে ।

**উত্তৰঃ –** অশুদ্ধ ।

খ) পানী মহাসাগৰৰ , নদী আৰু হ্ৰদৰ পৰাহে বাষ্পীভৱন হয় , মাটিৰ পৰা নহয় ।

**উত্তৰঃ –** শুদ্ধ ।

গ) পানী জলীয় ভাপলৈ পৰিৱৰ্তন হোৱা প্ৰক্ৰিয়াক বাষ্পীভৱন বোলে ।

**উত্তৰঃ –** শুদ্ধ ।

ঘ) কেৱল সূৰ্যৰ পোহৰতহে পানীৰ বাষ্পীভৱন হয় ।

**উত্তৰঃ –** অশুদ্ধ ।

ঙ) বায়ুৰ ওপৰৰ স্তৰত , যত ই অধিক চেঁচা তাত জলীয় ভাপ ঘনীভূত হৈ অতিশয় ক্ষুদ্ৰ ক্ষুদ্ৰ পানীৰ টোপোলাৰ সৃষ্টি কৰে ।

**উত্তৰঃ –** শুদ্ধ ।

প্ৰশ্ন : – ৪) ধৰা হওক তুমি তোমাৰ বিদ্যালয়ৰ ইউনিফৰ্ম সোনকালে শুকুৱাব বিচাৰিছা । আঙঠাৰ চুলা বা হিটাৰৰ ওপৰত ইউনিফৰ্মযোৰ মেলি দিয়াটোৱে সহায় কৰিবনে ? যদি কৰে , কেনেকৈ ?

**উত্তৰঃ –** অধিক উষ্ণতাত বাষ্পীভৱনৰ পৰিমাণ অধিক হয় । সেয়ে ইউনিফৰ্ম যোৰ আঙঠাৰ চুলা বা হিটাৰৰ কাষত মেলি দিলে সোনকালে শুকাব । কাৰণ উষ্ণতা যিমানে বৃদ্ধি হয় সিমানে বাষ্পীভৱনৰ পৰিমাণ বৃদ্ধি হয় ।

প্ৰশ্ন : – ৫) ৰেফ্ৰিজাৰেটৰৰ পৰা এটা ঠাণ্ডা পানীৰ বটল উলিওৱা আৰু এইটো মেজ এখনৰ ওপৰত ৰখা । কিছু সময়ৰ পাছত ইয়াৰ চাৰিওফালে কিছুমান পানীৰ টোপোলা তুমি দেখা পাবা । কিয় বাৰু ?

**উত্তৰঃ –** ঠাণ্ডা পানীৰ বটলটোৰ বাহিৰভাগৰ অতিশয় শীতল হয় । বটলটোৰ বাহিৰভাগ শীতল হোৱাৰ বাবে বায়ুত থকা পানীৰ কণিকাৰ ঘনীভৱন ঘটে । ফলত বটল টোৰ চাৰিওফালে ঘনীভৱন ঘটা পানীৰ কণা লাগি ধৰে ।

প্ৰশ্ন : – ৬) চশমা চাফা কৰোতে মানুহে প্ৰায়েই ইয়াৰ কাঁচখন সেমেকাবলৈ কাঁচৰ ওপৰত নিশাহ এৰি দিয়ে । কাঁচ দুখন কিয় সেমেকি উঠে ব্যাখ্যা কৰা ।

**উত্তৰঃ –** নিশাহত আমাৰ শৰীৰৰ পৰা ওলাই যোৱা গেছত বাষ্প অৱস্থাত পানীৰ কণিকা থাকে । এই বাষ্প কনাবোৰে চশমাৰ কাঁচ সেমেকাই পেলায় ।

প্ৰশ্ন : – ৭) ডাৱৰ কেনেকৈ সৃষ্টি হয় ?

**উত্তৰঃ –** সূৰ্যৰ তাপত পৃথিৱীত থকা পানী বাষ্পলৈ ৰূপান্তৰিত হয় । সাগৰ পৃষ্ঠৰ বহু উচ্চতাত এই বাষ্প কোনবোৰ ঘনীভূত হৈ পানীৰ টোপালত পৰিণত হয় । এনেদৰে ডাৱৰৰ সৃষ্টি হয় । অৰ্থাৎ পানীৰ বাষ্পৰ ঘনীভৱনৰ ফলত ডাৱৰৰ সৃষ্টি হয় ।

প্ৰশ্ন : – ৮) কেতিয়া খৰাং হয় ?

**উত্তৰঃ –** দীৰ্ঘ সময় অথবা বহু বছৰ ধৰি কোনো অঞ্চলত বৰষুণ নহলে খৰাঙে দেখা দিয়ে